**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-07-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। উৰিয়াম ঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ১১ হাজাৰ বিঘা ভূমিত পৰহিলৈৰ পৰা উচ্ছেদ অভিযান।

২। উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ লক্ষ্যৰে অহা বছৰৰ  ৩১ মাৰ্চলৈ ড'নাৰ মন্ত্ৰালয়ৰ ১৬ হাজাৰ কোটি টকাৰো অধিক ধন অনুমোদন।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি দিনৰ ১১ বজাত আকাশবাণীৰ  মন কী বাত অনুষ্ঠান।

৪। ৰাজ্যত বিগত দুমাহত বৰষুণৰ পৰিমাণ ৪৪ শতাংশ হ্ৰাস হোৱা বুলি বতৰ বিজ্ঞান বিভাগৰ প্ৰকাশ।

*আৰু*

৫। অ'ল্ড ট্ৰেফ'ৰ্ড টেষ্টত ইংলেণ্ডৰ বিৰুদ্ধে ইনিংছ পৰাজয়ৰ হাত সাৰিবলৈ ভাৰতৰ সংগ্ৰাম অব্যাহত।

০০০০০০

উৰিয়াম ঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত অহা ২৯ জুলাইৰ পুৱাৰ পৰা উচ্ছেদ চলোৱা হ'ব। বন বিভাগে অঞ্চলটোৰ সোণাৰীবিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি গাঁওসমূহলৈ গৈ কাইলৈৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ জাননী দিছে। ইয়াৰ আগেয়ে প্ৰশাসনে জাৰি কৰা জাননীত দখল কৰা লোকসকলক সাত দিনৰ ভিতৰত এই স্থান খালী কৰিবলৈ সময়সীমা বান্ধি দিয়া হৈছিল। কেইবাটাও পৰ্যায়ত হ'বলগীয়া এই উচ্ছেদ অভিযানত প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হ'ব। জাননী জাৰি কৰাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে। মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰীবিল গাঁৱত উচ্ছেদ চলোৱাৰ বাবেও প্ৰশাসন সাজু হৈছে। গাঁওখনৰ ২০৫ টা পৰিয়ালে বনভূমি দখল কৰি থকাৰ তথ্য লাভ কৰি গোলাঘাট জিলা বন বিভাগে সাত দিনৰ ভিতৰত ঠাইখন খালী কৰিবলৈ যোৱা ২৪ জুলাইত জাননী জাৰি কৰিছিল।

ইপিনে, নগাঁও জিলাৰ হাতীচোং মৌজাৰ দুটা স্থানত প্ৰশাসনে উচ্ছেদ চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰি দখলকাৰীলৈ জাননী জাৰি কৰিছে। এই জাননীৰ জৰিয়তে লোকসকলক সংৰক্ষিত বনভূমি খালী কৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে। নগাঁও সদৰ ৰাজহ চক্ৰ বিষয়াই সংশ্লিষ্ট অঞ্চলৰ বাসিন্দাসকললৈ জাৰি কৰা জাননী অনুসৰি হাতীচোং মৌজাৰ গৰৈমাৰী পথাৰ কিচামতৰ ৭২ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভৰ লগতে বগৰীগুৰি পাম কিচামতৰ ৬২ আৰু ৬৩ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভত উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসনে সিদ্ধান্ত লৈছে। একেদৰে যোৱা ৫ জুলাইত ধিং ৰাজহচক্ৰ বিষয়াই আলি টাঙনি মৌজাৰ বালিকতিয়া কিছামতৰ ভূমিও সাদিনৰ ভিতৰত  দখলমুক্ত কৰিবলৈ জাননী জাৰি কৰিছিল।

০০০০০০

লোকসভাত প্ৰদৰ্শন কৰা দৃষ্টান্তমূলক আচৰণৰ বাবে বিজেপিৰ ৰাজ্যিক সভাপতি তথা দৰং ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াকে ধৰি ১৭ জন সাংসদক কালি সংসদ ৰত্ন ২০২৫ সন্মান প্ৰদান কৰা হয়। এই সন্মান লাভ কৰা শইকীয়া উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী সাংসদ হিচাপে পৰিগণিত হৈছে।

*(এনাউন্সমেণ্ট)*

বঁটা লাভ কৰা আন সাংসদসকলৰ ভিতৰত বিজেপিৰ ৰবি কিষাণ, নিশিকান্ত ডুবে, ডঃ মেধা বিশ্ৰাম কুলকাৰ্নি, শিৱসেনাৰ অৰবিন্দ ছামন্ত, কংগ্ৰেছৰ অধ্যাপক গাইকোৱাৰ্ড বৰ্ষা একনাথ আৰু ডি এম কেৰ চি এন আন্নডুৰাইয়ো আছে। একেৰাহে তিনিটা কাৰ্যকাল সংসদীয় গণতন্ত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ স্বীকৃতি স্বৰূপে কেইগৰাকীমান সাংসদলৈ বিচাৰকৰ বিশেষ বঁটা আগবঢ়োৱা হৈছে। নতুন দিল্লীৰ মহাৰাষ্ট্ৰ সদনত কালি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সাংসদসকলক এই বঁটা প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে সাংসদসকলৰ দায়িত্ব সন্দৰ্ভত নিজৰ ভাষণত এইদৰে আলোকপাত কৰে।

*(বাইট ঃ কিৰেন ৰিজিজু)*

উল্লেখযোগ্য যে ২০১০ চনত প্ৰাক্তন ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামে চেন্নাইত আয়োজিত এই বঁটা প্ৰদান অনুষ্ঠান উদ্বোধন কৰিছিল।

০০০০০০

উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে ২০২৬ চনৰ ৩১ মাৰ্চ পৰ্যন্ত মুঠ ১৬ হাজাৰ ৩৩২ কোটি টকাত অনুমোদন দিয়ে। সাংসদ দিলীপ শইকীয়া আৰু অন্য দুগৰাকী সাংসদে সোধা তৰাবিহীন প্ৰশ্নৰ উত্তৰত উত্তৰ-পূব উন্নয়ন দপ্তৰৰ ৰাজ্যমন্ত্ৰী ডঃ সুকান্ত মজুমদাৰে কালি লোকসভাত এই কথা সদৰি কৰে। উত্তৰ-পূৰ্বাঞ্চলত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ বাবে ধাৰ্য কৰা মুঠ ধন সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত শ্ৰীমজুমদাৰে কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে প্ৰধানমন্ত্ৰী উন্নয়ন পদক্ষেপৰ অধীনত ৬ হাজাৰ ৬০০ কোটি, উত্তৰ-পূৰ্বাঞ্চল বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনিৰ পথ শিতানৰ বাবদ ২ হাজাৰ ৭১৮ কোটি, উত্তৰ-পূৰ্বাঞ্চল বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনিৰ অন্য শিতানৰ বাবে ৩ হাজাৰ ৭৯৬ কোটি, উত্তৰ-পূব উন্নয়ন পৰিষদৰ বিভিন্ন আঁচনিৰ বাবে এহেজাৰ ৯৬৮ কোটি আৰু অসমৰ বাবে বিশেষ পেকেজৰ অধীনত এহেজাৰ ২৫০ কোটি টকা আৱণ্টন দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে প্ৰধানমন্ত্ৰী উন্নয়ন পদক্ষেপৰ অধীনত ২০২২-২৩ বৰ্ষৰ পৰা ২০২৫-২৬ বৰ্ষলৈ ৪ বছৰৰ বাবে ৬ হাজাৰ ৬০০ কোটি টকাৰে কেইবাখনো কেন্দ্ৰীয় আঁচনি ৰূপায়ণ কৰা হৈছে। এই আঁচনিৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি উন্নয়ন আৰু সামাজিক উত্থান প্ৰকল্পসমূহত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি শ্ৰীমজুমদাৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ২০২২-২৩ বৰ্ষৰ বাজেটত কেন্দ্ৰীয় আঁচনি হিচাপে আৰম্ভ কৰা এই আঁচনিৰ প্ৰথম পৰ্যায়ত এহেজাৰ ৫০০ কোটি টকাৰ আৱণ্টনেৰে ৭টা প্ৰাৰম্ভিক প্ৰকল্প ৰূপায়ণ কৰা হৈছে। অসমৰ বাবে বিশেষ পেকেজৰ অধীনত ৰাজ্যখনত স্বায়ত্তশাসিত পৰিষদৰ উন্নয়নৰ বাবে বিভিন্ন প্ৰকল্প ৰূপায়ণ কৰা হৈছে। ইয়াৰে অংশ হিচাপে ২০০৩ আৰু ২০২০ চনত স্বাক্ষৰিত বুজাবুজি চুক্তিৰ অনুযায়ী বিটিচিৰ ৬৫টা প্ৰকল্পৰ বাবে ৭৪৯ কোটি ৮৫ লাখ টকা আৱণ্টন দিয়া হৈছে। একেদৰে ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ বাবে আগবঢ়োৱা ২০০ কোটি টকাৰ পেকেজৰ অধীনৰ ১৪টা প্ৰকল্পৰ বাবে ১৯৫ কোটি টকা আৱণ্টন দিয়া হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২৪ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ ৱেবছাইট আৰু News on AIR ম'বাইল এপযোগেও শুনিব পৰা যাব। আকাশবাণীৰ বাতৰি সেৱা বিভাগ, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব

চেনেল যোগেও এই অনুষ্ঠান পোনপটীয়া প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ ঠিক পাছতে আকাশবাণী গুৱাহাটীয়ে ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

বিভিন্ন ব্যতিক্ৰমী বিষয় লৈ ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আয়োজিত গ্ৰীষ্মকালীন শিবিৰসমূহে শিশুসকলৰ সৰ্বাঙ্গীন বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সমৰ্থ হৈছে। **'গ্ৰীষ্মকালীন শিবিৰ'** সম্পৰ্কত আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত কালি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে এই বিষয়ে প্ৰকাশ কৰে। বিশিষ্ট প্ৰকাশক ধীৰাজ গোস্বামীয়ে সঁফুৰা আলোচনীৰ উদ্যোগত ২০০৪ চনতে শিশুসকলৰ উপযোগীকৈ গ্ৰীষ্মকালীন শিবিৰ অনুষ্ঠিত কৰাৰ বিষয়ে উল্লেখ কৰে। গ্ৰীষ্ম বন্ধৰ সময়ছোৱা বিদ্যায়তনিক চাপৰ পৰা কিছু দূৰৈত ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ সময়ছোৱা মুকলি আৰু আনন্দময় কৰি তোলাৰ এয়া এক সুন্দৰ প্ৰচেষ্টা বুলি তেওঁ উল্লেখ কৰে। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই পৰিষদৰ উদ্যোগত এইবাৰ গুৱাহাটীত প্ৰথমবাৰৰ বাবে আয়োজিত গ্ৰীষ্মকালীন শিশু মহোৎসৱৰ বিষয়ে উল্লেখ কৰে। এঘাৰ দিনীয়া এই মহোৎসৱত গীত, নাট, যোগাভ্যাস, মুকাভিনয়, নৃত্যকে ধৰি বিভিন্ন বিষয় সামৰি লোৱাৰ লগতে অভিভাৱকসকলকো নিজৰ প্ৰতিভা বিকাশৰ সুযোগ দিয়া হৈছিল বুলি তেওঁ কয়।

এই অনুষ্ঠানত বিশিষ্ট অভিনেতা, নাট্যকৰ্মী অসীম কৃষ্ণ বৰুৱাই গৰমৰ বন্ধৰ এই সময়ছোৱা শিশুসকলৰ বাবে সৃজনীশীল আৰু কলাত্মক কৰি তোলাৰ ক্ষেত্ৰত গ্ৰীষ্মকালীন কৰ্মশালাই ইতিবাচক ভূমিকা গ্ৰহণ কৰিব পাৰে বুলি উল্লেখ কৰে।

**(বাইট ঃ অসীম কৃষ্ণ বৰুৱা)**

এই অনুষ্ঠানত আমাৰ কেইবাখনো জিলাৰ সংবাদদাতা সকলে অংশ লৈ জিলাসমূহত ব্যতিক্ৰমীভাৱে আয়োজিত গ্ৰীষ্মকালীন শিবিৰৰ বিষয়ে উল্লেখ কৰে।

০০০০০০

ৰাজ্যত বিগত দুমাহত বৰষুণৰ পৰিমাণ প্ৰায় ৪৪ শতাংশ হ্ৰাস পাইছে। গুৱাহাটীৰ বৰঝাৰস্থিত বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি জুন-জুলাইত সাধাৰণতে ৭৮৮ দশমিক ৮ মিলিমিটাৰ বৰষুণ হয় যদিও এইবেলি ৪৪৪ দশমিক ১ মিলিমিটাৰহে বৰষুণ হৈছে। সেই অনুসৰি এই সময়ছোৱাত বৰষুণৰ পৰিমাণ ৪৪ শতাংশ হ্ৰাস পাইছে। বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে এই সময়ছোৱাত দক্ষিণ শালমাৰাত ৰাজ্যৰ ভিতৰত বৰষুণৰ পৰিমাণ সৰ্বাধিক হ্ৰাস পাইছে। জিলাখনত পহিলা জুনৰ পৰা ২৫ জুলাইলৈ বৰষুণৰ পৰিমাণ প্ৰায় ৮৪ শতাংশ কম হৈছে। একেদৰে দৰঙত বৰষুণৰ পৰিমাণ স্বাভাৱিকতকৈ ৭৯, বৰপেটাত ৭৩, বজালীত ৭২, ধুবুৰী আৰু নলবাৰীত ৬৫, ধেমাজিত ৬৪, কামৰূপ আৰু কামৰূপ মহানগৰত ৫৮ শতাংশ হ্ৰাস পাইছে।

জলবায়ুৰ অভাৱনীয় পৰিৱৰ্তনৰ ফলত অকল অসমেই নহয় বৰং সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। এইবাৰ মেঘালয়ত বৰষুণৰ পৰিমাণ ৫৮ শতাংশ হ্ৰাস পাইছে। একেদৰে অৰুণাচল প্ৰদেশত বৰষুণ স্বাভাৱিকতকৈ ৪৯ শতাংশ কম হৈছে।

ৰাজ্য চৰকাৰে বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ লগতে তাপমাত্ৰা বৃদ্ধি পোৱাৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ জোৰামৰাৰ বাবে ১৮টা বিভাগক সুকীয়া সুকীয়াকৈ প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিছে। এই অনুসৰি শক্তি বিভাগ, শিক্ষা বিভাগ, মহিলা আৰু শিশু উন্নয়ন, অসম জলবায়ু পৰিৱৰ্তন-ব্যৱস্থাপনা সমিতি, পৰিবহণ, শ্ৰম, স্বাস্থ্য, কৃষি আৰু পৰিয়াল কল্যাণকে ধৰি ১৮টা বিভাগক ৰাজ্যৰ গ্ৰীষ্ম প্ৰৱাহ আৰু গৰমৰ প্ৰভাৱ প্ৰতিহত কৰাৰ ক্ষেত্ৰত কিধৰণৰ পদক্ষেপ ল'ব পাৰি এই বিষয়ে পৰিকল্পনা প্ৰস্তুত কৰিবলৈ কোৱা

হৈছে। বিভাগসমূহে অহা ২৮ জুলাইৰ ভিতৰত নিৰ্দিষ্ট পৰিকল্পনা দাখিল কৰিব লাগিব। এই পৰিকল্পনাৰ ওপৰত ভিত্তি কৰি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে চলিত মাহতে হিট এক্সন প্লেন অৰ্থাৎ গৰম প্ৰতিহতকৰণ পৰিকল্পনা গ্ৰহণ কৰিব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২৪ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ ৱেবছাইট আৰু তঙ্ক্শ ক্প খ্টন  ম'বাইল এপযোগেও শুনিব পৰা যাব। আকাশবাণীৰ বাতৰি সেৱা বিভাগ, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান পোনপটীয়া প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ ঠিক পাছতে আকাশবাণী গুৱাহাটীয়ে ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooo

৫ দিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ অহা আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড় আজি নতুন দিল্লীলৈ উভতি যাব। কালি সঞ্চালক প্ৰধানগৰাকীয়ে গুৱাহাটীত অসমৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰে। ড০ গৌড়ে কয়, যে অনুষ্ঠানসূচীত নতুনত্ব আনি নতুন প্ৰজন্মক আকৰ্ষিত কৰিব পাৰিলেহে আকাশবাণীৰ প্ৰাসংগিকতা থাকিব।

ইয়াৰ আগেয়ে সঞ্চালক প্ৰধানগৰাকীয়ে মেঘালয়ৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰে। কালি পুৱাৰ ভাগত তেওঁ কামাখ্যা মন্দিৰলৈ গৈ দেৱীৰ আশীষ গ্ৰহণ কৰে। আকাশবাণী গুৱাহাটীয়ে আজি সন্ধিয়া সাত বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত সঞ্চালক প্ৰধানগৰাকীৰ গুৱাহাটীত বৈঠক সন্দৰ্ভত এটা অনুষ্ঠান প্ৰচাৰ কৰিব।

oooooo

মানচেষ্টাৰৰ অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি অন্তিম দিনা ভাৰতে দুটা উইকেট হেৰুৱাই কালি সংগ্ৰহ কৰা ১৭৪ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব। খেলৰ চতুৰ্থ দিনা কালি ইংলেণ্ডে ৩১১ ৰানৰ বিশাল অগ্ৰগতি লাভ কৰাৰ পাছত ভাৰতে দ্বিতীয় ইনিংছৰ আৰম্ভণিতে দুটা উইকেট হেৰুৱাই শ'লঠেকত পৰে। অৱশ্যে অধিনায়ক সুভমন গীলে আৰু কে এল ৰাহুলে সংঘৰ্ষপূৰ্ণ বেটিঙেৰে দলৰ বাবে আশাৰ সঞ্চাৰ কৰে। দিনান্তত সুভমন গীল ৭৮ আৰু কে এল ৰাহুল ৮৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। ভাৰত এতিয়াও ইংলেণ্ডতকৈ সামগ্ৰিকভাৱে ১৩৭ ৰানত পিছ পৰি আছে।

ইয়াৰ পূৰ্বে ইংলেণ্ডে কালি বেন ষ্ট'কছৰ ১৪১ ৰানৰ সহায়ত প্ৰথম ইনিংছত ৬৬৯ ৰান সংগ্ৰহ কৰে। জ' ৰুটে ২৪৮ টা বলত ১৫০ ৰান কৰে। ইয়াৰ সুবাদত জ' ৰুট অষ্ট্ৰেলিয়াৰ ৰিকি পণ্টিঙক চেৰ পেলাই টেষ্ট ক্ৰিকেটৰ ইতিহাসত দ্বিতীয় সৰ্বাধিক ৰান কৰা খেলুৱৈ ৰূপে পৰিগণিত হয়। ভাৰতৰ হৈ ৰবীন্দ্ৰ জাদেজাই ৪ টা উইকেট দখল কৰে। উল্লেখযোগ্য যে ভাৰতে প্ৰথম ইনিংছত ৩৫৮ ৰান সংগ্ৰহ কৰিছিল।

oooooo

বিগত দুমাহত ৰাজ্যত বৰষুণৰ পৰিমাণ ৪৪ শতাংশ হ্ৰাস পাইছে। বতৰ বিজ্ঞান বিভাগৰ প্ৰতিবেদনত প্ৰকাশ পোৱা এই তথ্যৰে অসমীয়া প্ৰতিদিন কাকতে বাতৰি প্ৰকাশ কৰিছে।

অসমত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ সময়ত লক্ষাধিক বিদেশী লোকৰ নাম অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে ভালেসংখ্যক খিলঞ্জীয়া লোক বাদ পৰিছে। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়া পূৰ্বৰ সমন্বয়ক হিতেশ দেৱশৰ্মাৰ এই মন্তব্যৰে দি আছাম ট্ৰিবিউন কাকতে বাতৰি প্ৰকাশ কৰিছে।

বৰষুণৰ অভাৱত কৃষকে ভৰ বাৰিষাৰ এই সময়তো শালি ধানৰ খেতি কৰিব পৰা নাই। অসমৰ ২৭ লাখ হেক্টৰ কৃষিভূমিৰ ভিতৰত অতি পৰিমাণৰ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে। **বগা হাতীত পৰিণত জলসিঞ্চন আঁচনি** শিৰোনামেৰে দৈনিক অসম কাকতে বাতৰি প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে লোকনিৰ্মাণ বিভাগৰ বঙাইগাঁও জিলা ক্ষেত্ৰীয় গৃহ সংমণ্ডল কাৰ্যালয়ৰ সহকাৰী অভিযন্তা জ্যোতিষা দাসৰ আত্মহত্যাৰ ঘটনাৰ তদন্তৰ দায়িত্ব এছ আই টিক অৰ্পণ কৰাৰ এটা বাতৰি প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে উচ্চতম ন্যায়ালয়ৰ ১৫ দফীয়া নিৰ্দেশনা এটা বাতৰি প্ৰকাশ কৰিছে। দেশজুৰি শিক্ষাৰ্থীৰ আত্মহত্যা প্ৰতিৰোধৰ বাবে উচ্চতম ন্যায়ালয়ে শিক্ষা প্ৰতিষ্ঠানসমূহক এই নিৰ্দেশনা মানি চলিবলৈ নিৰ্দেশ দিছে।

বিশ্বৰ সৰ্বাধিক জনপ্ৰিয় গণতান্ত্ৰিক নেতা হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী স্থান লাভ কৰিছে। মাৰ্কিন প্ৰতিষ্ঠান মৰ্নিং কনচাল্টৰ সমীক্ষাৰে দা ছেণ্টিনেল কাকতে বাতৰি প্ৰকাশ কৰিছে।

অসম আন্দোলনৰ ৮৫৫ গৰাকী শ্বহীদৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে মহানগৰীৰ পশ্চিম বৰাগাঁৱত শ্বহীদ স্মাৰক উদ্যান নিৰ্মাণ কৰি থকা হৈছে। এই বাতৰি দৈনিক জনমভূমি কাকতৰ।

দৈনিক অগ্ৰদূত কাকতে নগাঁৱৰ বিভিন্ন স্থানত প্ৰশাসনে জাৰি কৰা উচ্ছেদৰ জাননী সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে।

অসমত বিৰোধী দলসমূহৰ মিত্ৰজোঁট গঠনৰ ক্ষেত্ৰত কোনো লক্ষণ এতিয়ালৈ পৰিলক্ষিত হোৱা নাই। এই সন্দৰ্ভত অসমীয়া খবৰ কাকতে বাতৰি প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে অসম লোকসেৱা আয়োগ- এ পি এছ চিৰ অধীনৰ পৰীক্ষাসমূহ সন্দৰ্ভত চৰকাৰক প্ৰশ্ন উত্থাপন কৰিছে। ন্যায়ালয়ে অহা ৩১ জুলাইত ন্যায়িক তদন্ত আয়োগৰ প্ৰতিবেদন কাৰ্যকৰী কৰাৰ সকলো তথ্য আদালতত দাখিল কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে ৰাকেশ পাল লোকসেৱা আয়োগৰ অধ্যক্ষ হৈ থকাৰ সময়ত সংঘটিত কেলেংকাৰিৰ তদন্তৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বত এজনীয়া তদন্ত আয়োগ গঠন কৰিছিল। আয়োগে ২০১৩ আৰু ২০১৪ বৰ্ষৰ নিযুক্তি কেলেংকাৰি তদন্ত সম্পূৰ্ণ কৰি ৰাজ্য চৰকাৰক ইতিমধ্যে প্ৰতিবেদন দাখিল কৰিছে। আয়োগৰ প্ৰতিবেদনত  চৰকাৰক কেইবাটাও পৰামৰ্শ আগবঢ়োৱা হৈছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা

সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ্ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ্ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত